**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 15-04-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

ooooo

১। উচ্চতম ন্যায়ালয়ে দেশত শিশু সৰবৰাহৰ সৈতে জড়িত অপৰাধ ৰোধ কৰাৰ লগতে এনে অপৰাধৰ বিচাৰ ত্বৰান্বিত কৰাৰ উদ্দেশ্যে কঠোৰ নীতি-নির্দেশনা জাৰি কৰিছে।

২। বিধি বলবৎকাৰী সঞ্চালকালয়ে নেচনেল হেৰাল্ড গোচৰত ক'লা ধন বৈধকৰণৰ অভিযোগত কংগ্ৰেছ নেত্ৰী ছোনিয়া গান্ধী আৰু ৰাহুল গান্ধীৰ বিৰুদ্ধে এখন অভিযোগনামা দাখিল কৰিছে।

৩। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে চলিত বৰ্ষৰ জুনৰ পৰা ছেপ্তেম্বৰলৈ দক্ষিণ-পশ্চিম মৌচুমী বতাহৰ প্ৰভাৱত হোৱা বৰষুণৰ পৰিমাণ স্বাভাৱিকতকৈ অধিক হোৱাৰ সম্ভাৱনা আছে বুলি প্ৰকাশ কৰিছে।

৪। দেশত যোৱা মাৰ্চত খুচুৰা মুদ্ৰাস্ফীতি ৩ দশমিক ৩-৪ শতাংশলৈ হ্ৰাস পাইছে।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কিছু সময়ৰ পাছত পাঞ্জাব কিংছ কলকাতা নাইট ৰাইডাৰ্ছৰ মুখামুখি হ'ব।

ooooo

উচ্চতম ন্যায়ালয়ে দেশত শিশু সৰবৰাহৰ সৈতে জড়িত অপৰাধ ৰোধ কৰা আৰু এনে অপৰাধৰ বিচাৰ ত্বৰান্বিত কৰাৰ উদ্দেশ্যে এলানি কঠোৰ নীতি-নির্দেশনা জাৰি কৰিছে। উত্তৰ প্ৰদেশৰ শিশু সৰবৰাহ গোচৰৰ অভিযুক্তই দাখিল কৰা অগ্ৰিম জামিন আবেদনৰ শুনানী গ্ৰহণ কৰি ন্যায়ালয়ে আজি এই নীতি-নির্দেশনা জাৰি কৰে। ন্যায়াধীশ জে বি পাৰ্ডিৱালা আৰু আৰ মহাদেৱনৰ এখন বিচাৰপীঠে লগতে ছমাহৰ ভিতৰত শিশু সৰবৰাহ গোচৰৰ বিচাৰ সম্পূৰ্ণ কৰাৰ বাবে নিম্ন আদালতসমূহলৈ নীতি-নির্দেশনা জাৰি কৰিবলৈ উচ্চ ন্যায়ালয়সমূহক নির্দেশ দিয়ে। সৰ্বোচ্চ ন্যায়ালয়ে কয়, যে ন্যায়ৰ ক্ষেত্ৰত হোৱা বিলম্ব ৰোধ কৰাৰ বাবে এনে গোচৰৰ শুনানী দৈনিক ভিত্তিত গ্ৰহণ কৰা উচিত। ন্যায়ালয়ে শিশু সৰবৰাহ গোচৰৰ তদাৰকক লৈ উত্তৰ প্ৰদেশ চৰকাৰক আৰু শিশু সৰবৰাহ গোচৰত জড়িত অভিযুক্তলৈ জাননী জাৰি কৰাৰ বাবে এলাহাবাদ উচ্চ ন্যায়ালয়ক সমালোচনা কৰে। সৰ্বোচ্চ ন্যায়ালয়ে কয়, যে নীতি-নির্দেশনা ৰূপায়ণৰ ক্ষেত্ৰত শিথিলতাৰ বিষয়টো গুৰুত্ব সহকাৰে লোৱা হ'ব আৰু ইয়াক আদালতৰ অৱমাননা বুলি গণ্য কৰা

হ'ব। উচ্চতম ন্যায়ালয়ে এটা গুৰুত্বপূৰ্ণ ৰায়যোগে কয়, যে চিকিৎসালয়ৰ পৰা নৱ-জাতকৰ চুৰি হ'লে প্ৰথমে সংশ্লিষ্ট চিকিৎসালয়খনৰ অনুজ্ঞা পত্ৰ বাতিল কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা উচিত।

০০০০০

বিধি বলবৎকাৰী সংস্থাই নেচনেল হেৰাল্ড গোচৰত ক'লা ধন বৈধকৰণৰ অভিযোগত কংগ্ৰেছ নেত্ৰী ছোনিয়া গান্ধী আৰু ৰাহুল গান্ধীৰ বিৰুদ্ধে এখন অভিযোগনামা দাখিল কৰিছে। অভিযোগনামাত কংগ্ৰেছ নেতা চেম পিট্ৰ'ডা আৰু সুমন ডুবেৰ নামো অভিযুক্ত হিচাপে অন্তৰ্ভুক্ত কৰা হৈছে। বিশেষ ন্যায়াধীশে আজি এই অভিযোগনামাখন চালি-জাৰি চাই অহা ২৫ এপ্ৰিল বিষয়টোৰ পৰৱৰ্তী শুনানীৰ দিন ধাৰ্য্য কৰে।

মাত্ৰ ৫০ লাখ টকাত এছ'ছিয়েটেড জাৰ্ণেলছ লিমিটেডৰ সম্পত্তি হস্তগত কৰা বুলি ছোনিয়া গান্ধী, ৰাহুল গান্ধী আৰু অন্য জ্যেষ্ঠ কংগ্ৰেছ নেতাসকলৰ বিৰুদ্ধে সাংসদ সুব্ৰমণিয়ান স্বামীয়ে ২০১৪ চনত অভিযোগ দাখিল কৰাৰ পাছত বিধি বলবৎকাৰী সঞ্চালকালয়ে এই গোচৰৰ তদন্ত আৰম্ভ কৰিছিল। সাংসদগৰাকীয়ে এছ'ছিয়েটেড জাৰ্ণেলছ লিমিটেডৰ সম্পত্তিৰ মূল্য দুহেজাৰ কোটি টকাৰো অধিক হ'ব বুলি অভিযোগ উত্থাপন কৰিছে। এই তদন্তৰ অংশ হিচাপে ২০২২ চনত ছোনিয়া গান্ধী আৰু ৰাহুল গান্ধীক জেৰা কৰা হৈছিল।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি টেলিফোনযোগে ডেনমাৰ্কৰ প্ৰধানমন্ত্ৰী মেটে ফ্ৰেডৰিক্সনৰ সৈতে কথা পাতে। কথোপকথনত দুয়োগৰাকী নেতাই ভাৰত-ডেনমাৰ্ক সেউজ কৌশলগত সহযোগিতাৰ প্ৰতি সমৰ্থন প্ৰকাশ কৰে আৰু উভয় দেশৰ জনসাধাৰণৰ হিতাৰ্থে বিভিন্ন ক্ষেত্ৰত সহযোগিতা বৃদ্ধিৰ বিষয়ে আলোচনা কৰে। শ্ৰীমতী ফ্ৰেডৰিক্সনৰ সৈতে পাৰস্পৰিক স্বাৰ্থজড়িত আঞ্চলিক আৰু গোলকীয় ঘটনাক্ৰমক লৈ আলোচনা কৰা বুলি শ্ৰীমোদীয়ে সামাজিক মাধ্যমযোগে প্ৰকাশ কৰিছে।

০০০০০

পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে দেশৰ বাবে আন্তঃগাঁথনিৰ উন্নয়নৰ গুৰুত্বত জোৰ দিছে আৰু প্ৰতি দিনে ১০০ কিলোমিটাৰ ঘাইপথ নিৰ্মাণৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। সৰ্ব ভাৰতীয় ব্যৱস্থাপনা সংস্থা, এ আই এম এৰ দশম ৰাষ্ট্ৰীয় নেতৃত্ব সন্মিলনত ভাষণ দি মন্ত্ৰীগৰাকীয়ে আজি কয়, যে পৰৱৰ্তী ১৮ মাহত দেশে পথ আন্তঃগাঁথনিৰ দিশৰ পৰা আমেৰিকা যুক্তৰাষ্ট্ৰকো চেৰ পেলাব।

০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে চলিত বৰ্ষৰ জুনৰ পৰা ছেপ্তেম্বৰলৈ দক্ষিণ-পশ্চিম মৌচুমী বতাহৰ প্ৰভাৱত হোৱা বৰষুণৰ পৰিমাণ স্বাভাৱিকতকৈ অধিক হোৱাৰ সম্ভাৱনা আছে বুলি প্ৰকাশ কৰিছে। নতুন দিল্লীত আজি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত ভাৰতীয় বতৰ বিজ্ঞান বিভাগৰ সঞ্চালকপ্ৰধান ড০ মৃত্যুঞ্জয় মহাপাত্ৰই কয়, যে উত্তৰ পূৰ্বাঞ্চল, উত্তৰ-পশ্চিম আৰু দক্ষিণ উপদ্বীপ অঞ্চলৰ কেতবোৰ অংশৰ বাহিৰে দেশৰ অধিকাংশ ঠাইত এইবাৰ বাৰিষা কালত স্বাভাৱিকতকৈ অধিক বৰষুণ হোৱাৰ সম্ভাৱনা আছে। এই বছৰ এল-নিনোৰ দৰে পৰিস্থিতি উদ্ভৱ হোৱাৰ সম্ভাৱনা নাই বুলি তেওঁ প্ৰকাশ কৰে।

আকাশবাণীৰ সৈতে হোৱা এটা আছুতীয়া সাক্ষাৎকাৰত ধৰিত্ৰী বিজ্ঞান মন্ত্ৰালয়ৰ সচিব ড০ এম ৰবিচন্দ্ৰনে কয়, যে এই বছৰ মে'-জুন মাহত যোৱা বছৰৰ তুলনাত অধিক গৰম পৰাৰ সম্ভাৱনা আছে।

০০০০০

দেশত যোৱা মাৰ্চত খুচুৰা মুদ্ৰাস্ফীতি ৩ দশমিক ৩-৪ শতাংশলৈ হ্ৰাস পাইছে। ফেব্ৰুৱাৰীত এই হাৰ ৩ দশমিক ৬-১ শতাংশ আছিল। বিভিন্ন খাদ্য সামগ্ৰীৰ মূল্য হ্ৰাস পোৱাৰ বাবেই মুদ্ৰাস্ফীতি নিম্নগামী হোৱা বুলি কোৱা হৈছে। পৰিসংখ্যা আৰু কাৰ্য্যসূচী ৰূপায়ণ মন্ত্ৰালয়ে প্ৰকাশ কৰা তথ্য অনুসৰি, মুদ্ৰাস্ফীতিৰ এই হাৰ ২০১৯ চনৰ আগষ্টৰ পাছত আটাইতকৈ কম। এই সময়ছোৱাত গ্ৰামাঞ্চলৰ মুদ্ৰাস্ফীতি ৩ দশমিক ২-৫ আৰু নগৰীয়া অঞ্চলৰ মুদ্ৰাস্ফীতি ৩ দশমিক ৪-৩ শতাংশ হৈছে। মন্ত্ৰালয়ৰ তথ্য অনুসৰি, মূলতঃ শাক-পাছলি, কণী, দাইল, মাংস, মাছ, গোটা দানাজাতীয় শস্য আৰু দুগ্ধজাত সামগ্ৰীৰ মূল্য হ্ৰাস পোৱাৰ বাবেই মাৰ্চত মুদ্ৰাস্ফীতি নিম্নগামী হৈছে।

০০০০০

২০২৩ বেটছৰ ভাৰতীয় প্ৰশাসনিক বিষয়াসকলে আজি ৰাষ্ট্ৰপতি ভৱনত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক সাক্ষাৎ কৰে। সাক্ষাৎকালত শ্ৰীমতী মুৰ্মুৱে কয়, যে এই বিষয়াসকলে স্থানীয় আৰু ৰাজ্যিক পৰ্য্যায়ত ৰূপায়ণ কৰা উন্নয়ন আৰু জন-কল্যাণমূলক কামে ৰাষ্ট্ৰীয় লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়ায়। তেওঁ লগতে বিষয়াসকলক নিজৰ অধিকাৰ আৰু অসামৰিক দায়িত্বৰ মাজত ভাৰসাম্যৰ বিষয়টো মনত ৰাখিবলৈ পৰামৰ্শ আগবঢ়ায়। এই বিষয়ে গুৰুত্ব আৰোপ কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে বিষয়াসকলে তেওঁলোকৰ অধিকাৰক ফলপ্ৰসূভাৱে দায়িত্ব পূৰণৰ আহিলাৰূপে গণ্য কৰা উচিত।

০০০০০

আকাশবাণী হায়দৰাবাদ কেন্দ্ৰৰ হীৰক জয়ন্তী সমাৰোহ আজিৰে পৰা আৰম্ভ হৈছে। আকাশবাণী আৰু সংবাদ সেৱা বিভাগৰ মহা নিৰ্দেশক ড০ প্ৰজ্ঞান পালীৱাল গৌৰে ভাৰ্চুৱেল ব্যৱস্থাৰে অনুষ্ঠানটি মুকলি কৰে। আকাশবাণী হায়দৰাবাদৰ সমূহ কৰ্ম-কৰ্তা তথা বিষয়ববীয়াক সম্বোধন কৰি ড০ গৌৰে কয়, যে সম্প্ৰচাৰ প্ৰযুক্তিৰ এনালগৰ পৰা ডিজিটেল ট্ৰেন্সমিটাৰলৈ স্থানান্তৰিত হোৱাৰ ফলত ইয়াৰ সম্প্ৰচাৰ ক্ষমতা বৃদ্ধি পাইছে, যাৰ ফলত লাইভ ষ্ট্ৰীমিঙৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈও সক্ষম হৈছে। তেওঁ আকাশবাণী হায়দৰাবাদে ৭ টা ভাষাত অনুষ্ঠান প্ৰচাৰ কৰি গ্ৰামাঞ্চল আৰু নগৰাঞ্চলৰ শ্ৰোতাৰ মাজত শক্তিশালী ভেঁটি স্থাপন কৰিবলৈ সমৰ্থ হোৱা বুলিও প্ৰকাশ কৰে।

০০০০০

ছিংগাপুৰত আজি প্ৰধানমন্ত্ৰী লৰেন্স ৱঙৰ পৰামৰ্শ মতে ৰাষ্ট্ৰপতি থাৰমান শ্বানমুগাৰত্নমে সংসদ ভংগ কৰে। ইয়াৰ পাছতে সাধাৰণ নিৰ্বাচনৰ জৰিয়তে প্ৰধানমন্ত্ৰী ৱঙে শাসকীয় পিপলছ্ একচন পাৰ্টীৰ নেতা হিচাপে প্ৰথমটো কাৰ্য্যভাৰ বিচৰাৰ সম্ভাৱনা আছে। নিৰ্বাচন বিভাগে বিয়লিৰ ভাগত নিৰ্বাচনৰ দিন ধাৰ্য্য কৰাৰ সম্ভাৱনা আছে। উল্লেখযোগ্য যে, বিগত বছৰত ছিংগাপুৰৰ প্ৰতিষ্ঠাপক প্ৰধানমন্ত্ৰী লি কুৱান ইউৰ পুত্ৰ লি ছিয়েন লুঙৰ পাছতলৰেন্স ৱঙে প্ৰভাৱশালী লী পৰিয়ালৰ দশক দশক ধৰি চলি অহা শাসনৰ অৱসান ঘটায়।

০০০০০

পাকিস্তানৰ দক্ষিণ-পশ্চিম প্ৰান্তৰ বেলুচিস্তান প্ৰদেশত আজি হোৱা এটা বোমা বিস্ফোৰণত তিনিজন আৰক্ষী কৰ্মী নিহত হয় আৰু অন্য ১৬ জন আহত হয়। আহতসকলৰ ভিতৰত দুজনৰ অৱস্থা সংকটজনক বুলি কোৱা হৈছে। মাষ্টুং জিলাৰ কুণ্ড মাছুৰী এলেকাৰ সমীপত কালাত জিলাৰ এটা প্ৰশিক্ষণ কেন্দ্ৰৰ আৰক্ষী কৰ্মীক কঢ়িয়াই নিয়া এখন বাছত আই ই ডি বিস্ফোৰণ হোৱাৰ বাবেই এই অঘটনটো ঘটে। কৰ্তৃপক্ষসমূহে বিস্ফোৰণৰ তদন্ত আৰম্ভ কৰিছে। এতিয়ালৈকে কোনো সন্ত্ৰাসবাদী গোটে এই আক্ৰমণৰ দায়িত্ব স্বীকাৰ কৰা

নাই। পাকিস্তানৰ সৰ্ববৃহৎ অথচ, আটাইতকৈ কম জনবসতিপূৰ্ণ বেলুচিস্তান প্ৰদেশত শেহতীয়াকৈ হিংসাত্মক ঘটনা সংঘটিত হৈ আহিছে। অঞ্চলটোত বিচ্ছিন্নতাবাদী আৰু সন্ত্ৰাসবাদী গোটসমূহে সঘনাই সুৰক্ষা বাহিনীক আক্ৰমণৰ লক্ষ্য কৰি লোৱা দেখা গৈছে।

ooooo

পশ্চিমবঙ্গৰ মুৰ্ছিদাবাদৰ হিংসাজৰ্জৰ এলেকাসমূহৰ পৰিস্থিতি ক্ৰমাৎ স্বাভাৱিক হৈছে। আৰক্ষী, কেন্দ্ৰীয় বাহিনী আৰু দ্ৰুত কাৰ্য্যবাহিনীয়ে জিলাখনৰ অশান্তজৰ্জৰ এলেকাসমূহত তহল দি আছে। ইপিনে, আৰক্ষীয়ে যোৱা সপ্তাহত দুগৰাকী ব্যক্তিক হত্যা কৰাৰ সংক্ৰান্তত দুজন লোকক গ্ৰেপ্তাৰ কৰিছে। চমশ্বেৰগঞ্জ, ছুটি আৰু ৰঘুনাথগঞ্জৰ পৰা বৰ্তমানলৈকে মুঠ ২২৩ জন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। আৰক্ষী আৰু প্ৰশাসনে উৰা বাতৰি বিয়পোৱাৰ অভিযোগত এহেজাৰ ৯৩ টা ছ'ছিয়েল মিডিয়া প্ৰ'ফাইল বন্ধ কৰি দিছে।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কিছু সময়ৰ পাছত চণ্ডীগড়ত হ'বলগীয়া এখন খেলত পাঞ্জাব কিংছ কলকাতা নাইট ৰাইডাৰ্ছৰ মুখামুখি হ'ব। বৰ্তমানলৈ দুয়োটা দলেই ৬ পইণ্টকৈ লাভ কৰিছে যদিও উন্নত ৰাণ ৰেটৰ সুবাদত কলকাতা পাঞ্জাবতকৈ এটা স্থান আগত আছে।

প্ৰতিযোগিতাত ৫ খন খেলত পৰাজিত হোৱা চেন্নাই ছুপাৰ কিংছ দলটো যোৱা নিশা লক্ষ্ণৌ ছুপাৰ জায়েণ্টৰ বিৰুদ্ধে ৫ উইকেটত জয়ী হয়।

ooooo

সমাপ্ত